# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 25-AUGUST-2026
**Time :** 6-45 PM

## *Assamese Evening Bulletin*
### Headlines
-------------------

১। গুৱাহাটী বিশ্ববিদ্যালয়ৰ ড০ অংকুৰণ দত্ত আৰু যোৰহাটৰ ৰাজেশ বৰদলৈলৈ ৰাষ্ট্ৰীয় কৃতী শিক্ষক বঁটা।

২। কৃষি মন্ত্ৰী পীযুষ হাজৰিকাৰ জাগীৰোডত মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ সহস্ৰাধিক হিতাধিকাৰীৰ সৈতে মত বিনিময়। উৎপাদনশীল ক্ষেত্ৰত বিনিয়োগ  কৰিবলৈ আহ্বান।

৩। ৰেচম খণ্ডত ডিজিটেল প্ৰশাসন ব্যৱস্থা সুদৃঢ় কৰাৰ উদ্দেশ্যে ৰেচম শিল্প ব্যৱস্থাপনা তথ্য প্ৰণালী মুকলি।

৪। ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলৰ নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে মৰিগাওঁ জিলা প্ৰশাসনৰ প্ৰস্তুতিৰ পৰ্যালোচনা। **আৰু**

৫। অসমৰ মায়ংক চক্ৰৱৰ্তী ল'ৰাৰ এছিয়ান জুনিয়ৰ ডবা প্ৰতিযোগিতাৰ ল'ৰাৰ শাখাত খিতাপ দখল।

০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে ৰাষ্ট্ৰীয় শিক্ষক দিৱস উপলক্ষে অহা ৫ ছেপ্তেম্বৰত নতুন দিল্লীত উচ্চ শিক্ষা প্ৰতিষ্ঠান আৰু পলিটেকনিকৰ ২১ গৰাকী শিক্ষক তথা অধ্যাপকক ৰাষ্ট্ৰীয় শিক্ষক বঁটাৰে সন্মানিত কৰিব। কেন্দ্ৰীয় উচ্চ শিক্ষা প্ৰতিষ্ঠানৰ ১২ গৰাকী  শিক্ষক, ৩ খন চৰকাৰী আৰু ২ খন ব্যক্তিগত মহাবিদ্যালয়কে ধৰি ৰাজ্যিক বিশ্ববিদ্যালয়সমূহৰ পৰা ৫ গৰাকী আৰু পলিটেকনিকৰ ৪ গৰাকী শিক্ষকক এই বঁটাৰ বাবে বাচনি কৰা হৈছে। শিক্ষা খণ্ডলৈ আগবঢ়োৱা অতুলনীয় সেৱাৰ বাবে এই বঁটা আগবঢ়োৱা হয়। বাচনি লাভ কৰা শিক্ষকসকলৰ ভিতৰত গুৱাহাটী বিশ্ববিদ্যালয়ৰ যোগাযোগ আৰু সাংবাদিকতা বিভাগৰ মুৰববী অধ্যাপক অংকুৰণ দত্ত আৰু যোৰহাটৰ আদৰ্শ জনজাতীয় উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ৰাজেশ বৰদলৈ আছে। ড° অংকুৰণ দত্তক উচ্চ শিক্ষা প্ৰতিষ্ঠান আৰু পলিটেকনিক শাখাৰ বাবে আৰু ৰাজেশ বৰদলৈক বিদ্যালয় শিক্ষক শাখাৰ বাবে বাচনি কৰা হৈছে।

**বাইট- অংকুৰণ দত্ত**

০০০০০

কৃষি মন্ত্ৰী পিযুষ হাজৰিকাই আজি জাগীৰোডত মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ সহস্ৰাধিক হিতাধিকাৰীৰ সৈতে মত বিনিময় কৰে আৰু আঁচনিখনৰ সহায়ত তেওঁলোকে কিদৰে ব্যৱসায় বা ষ্টাৰ্টআপ প্ৰতিষ্ঠান গঢ়ি তুলিছে তাৰ পৰ্যালোচনা চলায়।  মন্ত্ৰীগৰাকীয়ে হিতাধিকাৰীসকলক পৰম্পৰাগত  ব্যৱসায়ৰ উপৰি কুকুৰা পালন, মীন পালন, গাহৰী পালন আৰু কৃষি আৰু উদ্যানশস্যৰ দৰে উৎপাদনশীল ক্ষেত্ৰত বিনিয়োগ কৰিবলৈ আহ্বান জনায়। যুৱ উদ্যোগীসকলক কৃষি আন্তঃগাথনি পুঁজি মাখনা খেতি আৰু অন্য সম্ভাৱনাময় কৃষি ভিত্তিক ক্ষেত্ৰসমূহৰ সুযোগ গ্ৰহণ কৰি উপাৰ্জন বৃদ্ধি কৰাৰ লগতে আত্মনিৰ্ভৰ অসমৰ যাত্ৰা অধিক শক্তিশালী কৰাৰ বাবে চেষ্টা চলাবলৈ মন্ত্ৰীগৰাকীয়ে আহ্বান জনায়।  তেওঁ লগতে বহনক্ষম জীৱিকাৰ সৃষ্টি আৰু ৰাজ্যৰ গ্ৰামাঞ্চলৰ অৰ্থব্যৱস্থা সুদৃঢ়কৰণৰ ক্ষেত্ৰত উদ্যমশীলতা আৰু উৎপাদনমুখী বিনিয়োগত গুৰুত্ব আৰোপ কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে ৰাজ্যৰ অৰ্থনৈতিক গতি ত্বৰান্বিত কৰাৰ স্বাৰ্থ প্ৰতিগৰাকী যুৱক-যুৱতীলৈ সহযোগিতা আগবঢ়াবলৈ চৰকাৰ বদ্ধপৰিকৰ।

**বাইট-পিযুষ**

০০০০০

ৰাজ্যৰ ৰেচম খণ্ডত ডিজিটেল প্ৰশাসন ব্যৱস্থা, তথ্য ব্যৱস্থাপনা আৰু অংশীদাৰসকলৰ সংযোগ অধিক শক্তিশালী কৰাৰ বাবে আজি ৰাজ্য চৰকাৰৰ ৰেচম সঞ্চালকালয়ে আনুষ্ঠানিকভাৱে ৰেচম শিল্প ব্যৱস্থাপনা তথ্য ব্যৱস্থা মুকলি কৰে। হস্ততাঁত বস্ত্ৰ আৰু ৰেচম বিভাগৰ মন্ত্ৰী বিশ্বজিৎ দৈমাৰীয়ে এই ডিজিটেল ব্যৱস্থা আনুষ্ঠানিকভাৱে মুকলি কৰে। ৰেচম খণ্ডৰ সামগ্ৰিক বিকাশৰ বাবে তথ্যৰ সুচলতা, দক্ষ নিৰীক্ষণ আৰু উন্নত সমন্বয় সহজ কৰি তোলাই হৈছে এই ব্যৱস্থাৰ মূল উদ্দেশ্য। ৰেচম শিল্প ব্যৱস্থাপনা তথ্য ব্যৱস্থা প্ৰণালীটোক এৰী, মুগা পাত আৰু টছ ৰেচমৰ উমৈহতীয়া তথ্যৰ মঞ্চ হিচাপে গঢ়ি তোলা হৈছে। এই মঞ্চই কৃষক, কৃষক কল্যাণ গোট, জিলা ৰেচম কাৰ্যালয় আৰু ৰাজ্যিক প্ৰশাসনক ডিজিটেল মাধ্যমত একত্ৰিত কৰিব। উদ্বোধনী অনুষ্ঠানত ভাষণ দি মন্ত্ৰী শ্ৰীদৈমাৰীয়ে ৰেচম খণ্ডত স্বচ্ছতা, সমন্বয় আৰু সেৱা প্ৰদান ব্যৱস্থাৰ উন্নতি সাধনৰ বাবে প্ৰযুক্তি আৰু ডিজিটেল মঞ্চৰ গুৰুত্ব আছে বুলি উল্লেখ কৰে। অনুষ্ঠানত ৰেচম বিভাগৰ সঞ্চালক লক্ষী দত্তৰ লগতে ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ বিশেষ সচিব, সঞ্চালক আৰু অন্যান্য বিষয়াসকল উপস্থিত থাকে।

০০০০০

ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে আজি নগাঁও লোকসভা সমষ্টিৰ উপ-নিৰ্বাচনৰ বাবে নগাওঁ আৰু মৰিগাওঁ জিলা প্ৰশাসনৰ প্ৰস্তুতিৰ বুজ লয়। মৰিগাঁও জিলা আয়ুক্তৰ কাৰ্যালয়ত অনুষ্ঠিত এখন পৰ্যালোচনা বৈঠকত জিলা আয়ুক্ত সৃষ্টি সিঙে নিৰ্বাচনী প্ৰস্তুতি আৰু ভোটগ্ৰহণ সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে লোৱা ব্যৱস্থাৰ বিষয়ে শ্ৰীগোৱেলক অৱগত কৰে। মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে পৰিবহন ব্যৱস্থা, ই ভি এমৰ ব্যৱহাৰ, নিৰ্বাচন সম্পৰ্কীয় বিভিন্ন কোষৰ কাম-কাজ আৰু সমন্বয়কে ধৰি গুৰুত্বপূৰ্ণ দিশসমূহৰ বুজ লয়। শ্ৰীগোৱেলে সংশ্লিষ্ট বিষয়াসকলক নিৰ্ধাৰিত সময়ৰ ভিতৰত যাৱতীয় প্ৰস্তুতি সম্পন্ন কৰিবলৈ আৰু নিৰ্বাচন আয়োগে জাৰি কৰা নীতি-নিৰ্দেশনা কঠোৰভাৱে মানি চলিবলৈ নিৰ্দেশ দিয়ে। বৈঠকত জিলা উন্নয়ন আয়ুক্ত, জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া, অতিৰিক্ত জিলা আয়ুক্ত আৰু নিৰ্বাচনী বিষয়া উপস্থিত থাকে।

মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে নগাওঁ জিলা আয়ুক্ত কাৰ্যালয়ত অনুষ্ঠিত আন এখন বৈঠকত জিলাখনৰ নিৰ্বাচনী ব্যৱস্থা আৰু পৰিবহন তথা সামগ্ৰী ব্যৱস্থাপনাৰ প্ৰস্তুতিৰ মূল্যায়ন কৰে। বৈঠকখনত জিলাখনৰ প্ৰতিগৰাকী সচেতন ভোটদাতাৰ সুচল আহ-যাহ আৰু নিৰ্বাচনী সুবিধা সুনিশ্চিত কৰাৰ লগতে স্বচ্ছ আৰু প্ৰশাসনিক সহায়ক পৰিৱেশ গঢ়ি তোলাৰ বিষয়ে আলোচনা কৰা হয়।

অসম প্ৰদেশ কংগ্ৰেছ কমিটিয়ে আসন্ন উপ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব বিচৰা দলীয় সদস্যসকলৰ পৰা ২৮ আগষ্টৰ ভিতৰত আবেদন বিচাৰিছে। অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি তথা লোকসভাৰ বিৰোধী পক্ষৰ উপনেতা গৌৰৱ গগৈৰ নিৰ্দেশমৰ্মে ইতিমধ্যে দলৰ প্ৰাৰ্থী বাচনি প্ৰক্ৰিয়া আৰম্ভ হৈছে।

এ আই ইউ দি এফেও উপ নিৰ্বাচনৰ বাবে প্ৰাৰ্থীৰ বিষয়টো পুনৰ বিবেচনা কৰিছে। দলটোৱে পূৰ্বতে ৰেজাউল কৰিম সৰকাৰক প্ৰাৰ্থী হিচাপে ঘোষণা কৰিছিল যদিও দলটোৱে তেওঁৰ প্ৰাৰ্থীত্ব প্ৰত্যাহাৰ কৰাৰ সম্ভাৱনা আছে। ইফালে বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই নগাওঁ লোকসভা সমষ্টিৰ উপ নিৰ্বাচনক জটিল আৰু প্ৰত্যাহ্বানমূলক বুলি অভিহিত কৰিছে। তেওঁ অৱশ্যে দলটোৱে নিৰ্বাচনত জয় লাভ কৰিব বুলি আশা প্ৰকাশ কৰিছে।

০০০০০

ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস উপলক্ষে কেন্দ্ৰীয় যুৱ পৰিক্ৰমা মন্ত্ৰালয়ৰ অধীনত **খেলো ইণ্ডিয়া ডায়লগ– খেল কী বাত, পি এম কে সাথ** শীৰ্ষক কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। পৰহিলৈ গুৱাহাটীৰ অখিল ভাৰতীয় আয়ুৰবিজ্ঞান প্ৰতিষ্ঠান-এইমছত এই কাৰ্যসূচী অনুষ্ঠিত হ'ব। এইমছ গুৱাহাটীৰ কাৰ্যবাহী সঞ্চালক অশোক পুৰানীকে আজি সংবাদ মাধ্যমৰ আগত এই কথা প্ৰকাশ কৰি কয়, যে ৰাজ্যৰ যুৱক-যুৱতীসকলক ক্ৰীড়াৰ ক্ষেত্ৰত আগবঢ়াই নিয়াৰ উদ্দেশ্যে এই পদক্ষেপ গ্ৰহণ কৰা হৈছে।

**বাইট (অশোক পুৰানীক)**

শ্রীপুৰানীকে কয়, যে যুৱ অংশগ্ৰহণকাৰীসকলে স্থানীয় খেলুৱৈসকলৰ লগতে কেন্দ্ৰীয় মন্ত্ৰী, ৰাজ্য মন্ত্ৰী, ৰাজ্যিক যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী তথা সাংসদসকলৰ সৈতেও মত বিনিময় কৰাৰ সুযোগ লাভ কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অংশগ্ৰহণকাৰীসকলৰ সৈতে ভাৰ্চুৱেল ব্যৱস্থাৰ মাধ্যমৰে মত বিনিময় কৰিব বুলিও শ্রীপুৰানীকে জানিবলৈ দিয়ে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পৰহিলৈ অসমৰ লগতে দেশৰ ডেৰ হাজাৰতকৈও অধিক স্থানত যুৱক-যুৱতী তথা খেলুৱৈৰ সৈতে ভাৰ্চুৱেল মাধ্যমেৰে বাৰ্তালাপ কৰিব। অহা ২৯ আগষ্টত হকীৰ যাদুকৰ মেজৰ ধ্যানচান্দৰ জন্মদিৱসৰ সৈতে সংগতি ৰাখি এই কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। আই আই টি, দিল্লীত হ'বলগীয়া এই অনুষ্ঠানত কেন্দ্ৰীয় ক্ৰীড়া মন্ত্ৰী মনসুখ মন্দাভিয়া উপস্থিত থাকিব। ভাৰতীয় অলিম্পিক সন্থাৰ সভাপতি পি টি ঊষা তথা ভালেসংখ্যক আন্তঃৰাষ্ট্ৰীয় পদক বিজয়ী প্ৰাক্তন আৰু বৰ্তমানৰ খেলুৱৈসকলেও যুৱক-যুৱতীসকলৰ সৈতে এই বাৰ্তালাপত অংশগ্ৰহণ কৰিব।

০০০০০

দেশত ডিজিটেল ধনাদায় ব্যৱস্থা ইউ পি আই প্ৰৱৰ্তনৰ ১০ বছৰ সম্পূৰ্ণ হৈছে। ২০১৬ চনৰ আজিৰ দিনটোতে এই ব্যৱস্থা মুকলি কৰা হৈছিল। ডিজিটেল ধনাদায়ৰ এই ব্যৱস্থাই অভূতপূৰ্ব পৰিসৰ আৰু বিশ্বাসযোগ্যতাৰ বলত গোলকীয় স্বীকৃতি লাভ কৰিবলৈ সমৰ্থ হৈছে। সম্প্ৰতি বিশ্বৰ এঘাৰখন দেশত এই ব্যৱস্থা কাৰ্যক্ষম হৈ আছে। ভাৰতৰ ডিজিটেল ৰাজহুৱা আন্তঃগাথনিৰ অন্যতম আটাইতকৈ সফল স্তম্ভৰূপে বিবেচিত ইউ পি আই তাৎক্ষণিক লেনদেনৰ মাধ্যম হিচাপে ব্যৱহাৰ হৈ আহিছে। বিত্ত মন্ত্ৰালয়ৰ মতে ২০২৫-২৬ বৰ্ষত ইউ পি আইৰ জৰিয়তে ২৪ হাজাৰ ১৬২ কোটি লেনদেন হৈছে। আনহাতে, ২০১৬-১৭ চনত ১ কোটি ৭৮ লাখ লেনদেন হৈছিল।

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ইউ পি আই ব্যৱস্থাৰ ১০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে সামাজিক মাধ্যমযোগে নিজৰ অনুভৱ ব্যক্ত কৰি কয়, যে এই ব্যৱস্থাৰ বিষয়ে যথেষ্ট আলোচনা, গৱেষণা হৈছে যদিও দেশৰ ক্ষুদ্ৰ আৰু লঘু উদ্যোগৰ সামগ্ৰিক পৰিবেশলৈ ইউ পি আইয়ে কঢ়িয়াই অনা উৎপাদন বৃদ্ধিৰ বিষয়ে অধিক আলোচনাৰ থল আছে। ইউ পি আইৰ লেনদেনৰ সময় ৰাহি কৰাৰ লগতে খুচুৰা ধন ঘূৰাই দিয়াৰ অসুবিধা দূৰ কৰিছে আৰু হিচাপ নিকাচ ব্যৱস্থা সহজ কৰি তুলিছে বুলি ড০ শৰ্মাই মন্তব্য কৰে।

০০০০০

গুৱাহাটী বিশ্ববিদ্যালয় জব ফেয়াৰ সমিতিৰ উদ্যোগত আজি এখন নিয়োগ মেলা অনুষ্ঠিত হয়। শৈক্ষিক প্ৰতিভা আৰু উদ্যোগ খণ্ডৰ কৰ্মসংস্থাপনৰ সুযোগক একেখন মঞ্চত সংযুক্ত কৰাৰ লক্ষ্যৰে আয়োজিত এই নিয়োগ মেলাত ৬৫টা প্ৰতিষ্ঠানত নিয়োগৰ সুযোগ লাভ কৰাৰ বাবে প্ৰায় ৬০০ গৰাকী প্ৰাৰ্থীয়ে পঞ্জীয়ন কৰে। এই নিয়োগ মেলাৰ উদ্বোধনী অনুষ্ঠানত ভাষণ প্ৰদান কৰি উপাচাৰ্য, অধ্যাপক ননীগোপাল মহন্তই কয়, যে শিক্ষাৰ্থী আৰু চাকৰি প্ৰত্যাশীসকলৰ অৰ্থপূৰ্ণ কেৰিয়াৰ সুযোগৰ সৈতে সংযোগ কৰা, বিশ্ববিদ্যালয় আৰু উদ্যোগ খণ্ডৰ মাজৰ সহযোগিতামূলক সম্পৰ্ক অধিক সুদৃঢ় কৰাৰ বাবে এনে নিয়োগ মেলা অত্যন্ত প্ৰয়োজনীয়। নিয়োগ মেলাৰ আহ্বায়ক ড০ সমীৰ সৰকাৰে শিক্ষাৰ্থীসকলৰ শিক্ষা জীৱনৰ পৰা কৰ্মজীৱনলৈ উত্তৰণত বিশ্ববিদ্যালয়ৰ ভূমিকা আৰু দায়িত্বৰ ওপৰত গুৰুত্ব আৰোপ কৰে। এই নিয়োগ মেলাত বেংকিং আৰু বিত্তীয় সেৱা, তথ্য প্ৰযুক্তি, দূৰসংযোগ, ডিজিটেল সেৱা, স্বাস্থ্যসেৱা, শিক্ষা, মাইক্ৰ'ফাইন্স তথা অন্যান্য সহযোগী খণ্ডৰ আগশাৰীৰ প্ৰতিষ্ঠানসমূহ অংশগ্ৰহণ কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ শৈক্ষিক সমাজ আৰু উদ্যোগ খণ্ডৰ মাজত প্ৰত্যক্ষ আৰু সুদৃঢ় সংযোগ স্থাপনৰ ক্ষেত্ৰত নিয়োগ মেলাই বিশেষ ভূমিকা পালন কৰিব বুলি আশা কৰা হৈছে।

০০০০০

কামৰূপ জিলা দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণে ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ সহযোগত আজি সংহত কামৰূপ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ চৌহদত এটা নতুন আদৰ্শ জিলা জৰুৰীকালীন সেৱা কেন্দ্ৰ মুকলি কৰে। ভৱিষ্যতৰ দুৰ্যোগৰ পূৰ্ব প্ৰস্তুতি আৰু সঁহাৰি বিষয়ক আন্তঃগাঁথনি শক্তিশালী কৰাৰ ক্ষেত্ৰত এই কেন্দ্ৰটোৱে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব। ৰাজ্যৰ অতিৰিক্ত মুখ্য সচিব আৰু ৰাজ্যিক দুৰ্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণৰ মুখ্য কাৰ্যবাহী বিষয়া ছুইটী চাংছনে জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰৰ উপস্থিতিত এই কেন্দ্ৰটো উদ্বোধন কৰে। বিশেষ ভূমিকম্প প্ৰতিৰোধী প্ৰযুক্তিৰে নিৰ্মিত এই আদৰ্শ কেন্দ্ৰটোৱে ভূমিকম্পৰ তীব্ৰ জোকাৰণিৰ পৰা ভৱন, অট্টালিকাসমূহত পৰিব পৰা বিৰূপ প্ৰভাৱ ৰোধ কৰাত সহায় কৰিব। এই নতুন প্ৰযুক্তিয়ে ভূমিকম্পৰ সময়ত অট্টালিকাসমূহৰ ওপৰ অংশক ভেটিৰ পৰা পৃথক কৰি ৰাখিব। উল্লেখযোগ্য যে অসমত প্ৰথমবাৰৰ বাবে দুৰ্যোগ প্ৰশমনৰ বাবে এনেধৰণৰ উচ্চ প্ৰযুক্তি ব্যৱহাৰ কৰা হৈছে। এই আদৰ্শ কেন্দ্ৰটোৱে বান, ভূমিকম্প, ভূমিস্খলন, অগ্নিকাণ্ড, ঔদ্যোগীক দুৰ্ঘটনা আৰু আন জৰুৰীকালীন অৱস্থাত বাস্তৱিক সমন্বয়, যোগাযোগ, তথ্য ব্যৱস্থাপনা, পৰিস্থিতি বিষয়ক মূল্যায়ন আৰু সিদ্ধান্ত গ্ৰহণত সহায় কৰিব। এই আদৰ্শ কেন্দ্ৰটোৱে কামৰূপ জিলাত দুৰ্যোগ আৰু জৰুৰীকালীন ব্যৱস্থাপনাৰ বাবে একীকৃত কামাণ্ড আৰু সমন্বয় কেন্দ্ৰ হিচাপে কাম কৰিব। আজিৰ উদ্বোধনী অনুষ্ঠানত কামৰূপ জিলা জ্যেষ্ঠ আৰক্ষী অধীক্ষক সুভাশীষ বৰুৱা, কামৰূপ জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া সিদ্ধাৰ্থ গোস্বামীৰ লগতে দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ কেইবাগৰাকীও শীৰ্ষ বিষয়া উপস্থিত থাকে।

০০০০০

অসমৰ মায়ংক চক্ৰৱৰ্তীয়ে মুম্বাইত অনুষ্ঠিত এছিয়ান জুনিয়ৰ লৰাৰ শাখাৰ ডবা প্ৰতিযোগিতাৰ খিতাপ দখল কৰিছে। মায়ংকে আজি সামৰণি পৰা প্ৰতিযোগিতাৰ নৱম ৰাউণ্ডৰ অন্তত ৭ দশমিক ৫ পইণ্ট অৰ্জন কৰি খিতাপ হস্তগত কৰে। ইপিনে কৰ্ণাটকক প্ৰতিনিধিত্ব কৰা অসমৰ প্ৰীতিতি বৰদলৈ ছোৱালীৰ শাখাত বিজয় সন্মান লাভ কৰিছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই দুয়োগৰাকী খেলুৱৈক অভিনন্দন জনাইছে। মুখ্যমন্ত্ৰীগৰাকীয়ে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয় যে এছিয়াৰ এঘাৰখন দেশৰ প্ৰতিভাৱান খেলুৱৈৰ অংশগ্ৰহণেৰে অনুষ্ঠিত প্ৰতিযোগিতাখনত অসমৰ খেলুৱৈৰ এনে প্ৰদৰ্শনে ৰাজ্যত ক্ৰীড়া প্ৰতিভাৰ বিকাশৰ ইতিবাচক ছবি দাঙি ধৰিছে। তেওঁ কয়, যে ডবাৰ দৰে বুদ্ধিমত্তা, ধৈৰ্য্য, একাগ্ৰতা আৰু কৌশলৰ খেলত ৰাজ্যৰ যুৱ প্ৰতিভাই ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত নিজৰ সামৰ্থ প্ৰমান কৰিবলৈ সমৰ্থ হোৱাটো সচাকৈ আশাব্যঞ্জক। মায়ংক আৰু প্ৰীতিতিৰ সাফল্যক ডবা খেলত অসমৰ ক্ৰমবৰ্ধমান শক্তি আৰু সম্ভাৱনাৰ প্ৰতিফলন বুলি ড° শৰ্মাই মন্তব্য কৰে।

০০০০০

শ্ৰীলংকাই ভাৰতৰ বিৰুদ্ধে কলম্বোত অনুষ্ঠিত চলিত টেষ্ট ক্ৰিকেট শৃংখলাৰ দ্বিতীয় তথা অন্তিমখন খেলত আজি তৃতীয় দিনৰ সামৰণিৰ পৰলৈকে প্ৰথম ইনিংছত ৮ টা উইকেট হেৰুৱাই ২৬৫ ৰান সংগ্ৰহ কৰে। দলটোৰ দুটা উইকেট বাকী থকা অৱস্থাত ভাৰতৰ প্ৰথম ইনিংছতকৈ ২৩১ ৰানত পিছপৰি আছে। ইয়াৰ পূৰ্বে ভাৰতে ৯ টা উইকেটৰ বিনিময়ত ৫০৩ ৰান কৰি প্ৰথম ইনিংছ সমাপ্তিৰ ঘোষণা কৰে। ভাৰতৰ হৈ দেবদত্ত পাদিক্কলে ১১৭ আৰু ধ্ৰুৱ জুৰেলে ১১৫ ৰান কৰে। ভাৰত এই খেলখনত জয়ী হলে ২০২৫-২৭ বিশ্ব টেষ্ট ছেম্পিয়নশ্বিপ ফাইনেলৰ দৌৰত চতুৰ্থ স্থানলৈ উন্নীত হ'ব। সম্প্ৰতি অষ্ট্ৰেলিয়া প্ৰথম, দক্ষিণ আফ্ৰিকা দ্বিতীয় আৰু নিউজিলেণ্ড তৃতীয় স্থানত আছে।

০০০০০

সমাপ্ত